পাঠ-৪

# বিচিত্ৰ প্ৰাণী

K7Q4X4



➤ ওপৰৰ ছবিখনত কি কি প্ৰাণী দেখিছা কোৱা।

আমাৰ চৌপাশে বিভিন্ন ধৰণৰ প্ৰাণী আছে। এই প্ৰাণীবোৰৰ কিছুমান পানীত, সৰহভাগ মাটিত আৰু কিছুমান মাটি আৰু পানী দুয়ো ঠাইতে থাকিব পাৰে।



মাছ পানীত থাকে। ইহঁতৰ দেহটো পানীত থকাৰ বাবে উপযোগী। ইহঁতৰ দেহৰ দুয়োকাষে থকা ফান আৰু পিছ অংশত থকা ফিচাৰ সহায়ত পানীত সাঁতুৰিব পাৰে। মাটি আৰু পানী দুয়ো ঠাইতে থাকিব পৰা প্ৰাণীবিধ হৈছে ভেকুলী। ইহঁতৰ ঠেঙৰ পতা লাগি থকাৰ বাবে পানীত সাঁতুৰিব পাৰে। মাটি আৰু পানী উভয়তে থাকিব পৰা প্ৰাণীয়ে হৈছে **উভচৰ প্ৰাণী**।

➤ তোমালোকে দেখা কিছুমান প্ৰাণীৰ নাম কোৱা যিবোৰ কেৱল মাটিতহে থাকিব পাৰে।

মাটিত বাস কৰা প্ৰাণীবোৰৰ কিছুমান প্ৰাণী ঘৰচীয়া আৰু কিছুমান বনৰীয়া প্ৰাণী। ঘৰচীয়া প্ৰাণীবোৰ মানুহৰ ঘৰত থাকে। ইহঁতৰ থকা ঠাই মানুহে ব্যৱস্থা কৰি দিয়ে। বনৰীয়া প্ৰাণীবোৰ আকৌ হাবিত থাকে। ইহঁতে নিজে নিজৰ আহাৰ আৰু থকা ঠাই বিচাৰি লয়।

➤ তুমি জনা কিছুমান ঘৰচীয়া প্ৰাণীৰ নাম বহীত লিখা।

## ক্ৰিয়া-কলাপ

ঘৰচীয়া প্ৰাণীবোৰক আমি আদৰ-যতনেৰে প্ৰতিপাল কৰোঁ। ঘৰচীয়া প্ৰাণীবোৰে আমাক বিভিন্ন ধৰণে সহায় কৰে। তলত দিয়া ঘৰচীয়া প্ৰাণীবোৰৰ পৰা আমি কি কি সহায় পাওঁ?





গৰু ..........................................................................................

ছাগলী ......................................................................................

হাঁহ-কুকুৰা..................................................................................



ঘোঁৰা.......................................................................................

**মানুহ আৰু প্ৰাণী ইটোৱে আনটোৰ ওপৰত নিৰ্ভৰশীল।**

- তোমালোকে ঘৰচীয়া প্ৰাণীবোৰৰ কিদৰে যত্ন লোৱা কোৱা।




- ওপৰৰ ছবিখন চাই তাত দেখা বনৰীয়া প্ৰাণীবোৰৰ নাম কোৱা।

## কি প্ৰাণীয়ে কি খাদ্য খায় জানি লওঁ আহা—

বিভিন্ন প্ৰাণীয়ে বিভিন্ন খাদ্য খাই জীয়াই থাকে। গৰু, ছাগলী, ঘোঁৰা আদি প্ৰাণীবোৰে ঘাঁহ-বন, গছৰ পাত আদি খায়। এইবোৰ হৈছে **তৃণভোজী** প্ৰাণী। হৰিণা, হাতী, গঁড়, নল-গাহৰি , বনৰীয়া ম'হ, জেব্ৰা, জিৰাফ আদি প্ৰাণীবোৰ তৃণভোজী। এইবোৰ ডাঙৰ হাবি আৰু ওখ ঘাঁহনিত থাকে। বান্দৰ গছত থাকে আৰু ফল-মূল, শস্য আদি খায়।









বাঘ, সিংহ, শিয়াল আদি প্ৰাণীবোৰে মাংস খায় বাবে এইবোৰ হৈছে **মাংসভোজী** প্ৰাণী। মাংসভোজী প্ৰাণীবোৰৰ দাঁত, নখ আদি চোকা হয়।






কিছুমান প্ৰাণী যেনে— পাৰ, ঘনচিৰিকা, ভাটৌ, শালিকা আদিয়ে শস্য আৰু ফল-মূল খায়। এইবোৰ চৰাইৰ ঠোঁট চুটি , জোঙা আৰু টান। কিছুমান চৰায়ে পোকপৰুৱা, কীট-পতংগ আদিও খায়।

আন কিছুমান চৰাই যেনে— মাছৰোকা, কণামুচৰি, বগলী আদিয়ে মাছ খায়। বগলীৰ ঠোঁটটো দেখিছানে? ইহঁতৰ ঠেং আৰু ঠোঁট বৰ দীঘল হোৱাৰ কাৰণে একাঁঠু পানীত ডুব নোযোৱাকৈ থাকিব পাৰে আৰু পানীৰ তলৰ পৰা মাছ ধৰি আনিব পাৰে।








ফেঁচা, চিলনী, শেন, শগুণ আদিয়ে মাংস খায়।
ইহঁতৰ ঠোঁটবোৰ ধাৰ থকা আৰু বেঁকা,
ঠেঙৰ নখবোৰ চোকা আৰু হাঁকোটাৰ দৰে।
সেইবাবে ইহঁতৰ হাতৰ পৰা
চিকাৰ ওলাই যাব নোৱাৰে ।
ইহঁতক চিকাৰী চৰাই বুলিও কোৱা হয়।







কিছুমান প্ৰাণী যেনে— মানুহ, কাউৰী, কুকুৰ আদিয়ে সকলো ধৰণৰ খাদ্যকে খায়। এইবোৰ হৈছে **সৰ্বভোজী** প্ৰাণী।

**খাদ্যাভ্যাসৰ ওপৰত ভিত্তি কৰি প্ৰাণীসমূহক তিনিটা ভাগত ভাগ কৰা হৈছে - তৃণভোজী, মাংসভোজী আৰু সৰ্বভোজী।**

- তলত দিয়া প্ৰাণীবোৰৰ কোনবোৰ সৰ্বভোজী প্ৰাণী বাছি উলিয়াই ○ চিন দিয়া।





চৰাইৰ বাহিৰে অন্য প্ৰাণীয়ে পোক-পতংগ খোৱা দেখিছানে ? জেঠী আৰু ভেকুলীয়ে পোক-পতংগ খায়। ভেকুলীৰ জিভাখন মুখৰ সমুখৰ ভাগত লাগি থাকে। খোৱাৰ বাবে জিভাখন দূৰলৈ উলিয়াই দি পোক-পৰুৱা ধৰি আনিব পাৰে ।






হাঁহৰ ঠোঁট বহল আৰু চেপেটা হোৱাৰ বাবে ইহঁতে সৰহ বস্তু খাব পাৰে। হাঁহে খাদ্যত মিহলি হৈ থকা বোকা-পানীবোৰ ঠোঁটত থকা ফুটা দুটাৰে বাহিৰলৈ উলিয়াই দিয়ে। ইহঁতৰ ঠেঙৰ পতা লগ লাগি থকা বাবে ইহঁতে পানীত সাঁতুৰিব পাৰে।



- হাঁহৰ দৰে ঠেঙৰ পতা লগ লাগি থকা আন এটা প্ৰাণীৰ নাম কোৱা।

মাছে পানীত থকা পোক-পতংগ আৰু সৰু সৰু উদ্ভিদ খাই জীয়াই থাকে। কিছুমান ডাঙৰ মাছে সৰু মাছ খায়।



প্ৰাণীবোৰে কেনেকৈ চলন-ফুৰণ কৰে অলপ জানি লওঁ আহা—



ঘনচিৰিকা, ভেকুলী আদিয়ে জঁপিয়াই যায়।

জেঠীয়ে বগাই যায়। ইয়াৰ ঠেঙৰ তলুৱা এনে ধৰণৰ যে ই থিয় ঠাইতো খোপনি পুতি বগাব পাৰে।



ঢোঁৰা সাপ, ঘঁৰিয়াল, কাছ, তেজপিয়া, নাইপিয়া আদি বগাই যোৱা আন কিছুমান প্ৰাণী।

চৰায়ে বাৰু কিয় আকাশত উৰিব পাৰে ? চৰাইৰ দেহটো মাকোৰ নিচিনা, হাড়বোৰ ফোঁপোলা হোৱা বাবে গাটো পাতল। চৰাইৰ ডেউকা আৰু নেজত পাখি থাকে। এনে পাখি থকা ডেউকাৰ সহায়ত ই উৰিব পাৰে।



কিছুমান চৰায়ে বহু দূৰলৈ উৰি যাব পাৰে।

এনে কেইবিধমান চৰাই হৈছে পাৰ, কাউৰী, বালিমাহী।

➢ কোনবোৰ চৰায়ে বহু ওপৰলৈকে উৰিব পাৰে লিখা।

শগুণ

........................ ........................ ........................



উৰিব নোৱাৰা চৰাই আছেনে বাৰু?

আছে। তেনে দুবিধ চৰাই হৈছে— **উটপখী** আৰু **পেংগুইন**।

উটপখীয়ে মাটিত খোজ কাঢ়িব পাৰে, বেগাই দৌৰিবও পাৰে।

পেংগুইনে ডেউকাৰ সহায়ত পানীত সাঁতুৰিবহে পাৰে।

এইবোৰ পখী আমাৰ দেশত পোৱা নাযায়।



## ভাবি চাই লিখা—

- তুমি পোহা ছাগলী পোৱালিটোৰ ঠেং এটা কাটি যোৱাত তেজ ওলাইছে। তুমি ছাগলীটোৰ কটা অংশটোৰ যত্ন কেনেকৈ ল'বা?

- তোমালোকৰ পোহা গাইজনী হঠাৎ বৰ অসুস্থ হৈ পৰিছে। তোমাৰ দেউতাৰাই ঘৰুৱা চিকিৎসা কৰিছে যদিও ভাল কৰিব পৰা নাই। এই ক্ষেত্ৰত তুমি কি ব্যৱস্থা ল'বা?





## অনুশীলনী

১) উত্তৰ লিখা —

(ক) মাটি আৰু পানী দুয়ো ঠাইতে থাকিব পৰা এটা প্ৰাণীৰ নাম

(খ) দুবিধ মাংসভোজী প্ৰাণীৰ নাম

(গ) উৰিব নোৱাৰা দুটা চৰাইৰ নাম

(ঘ) এটা চিকাৰী চৰাইৰ নাম

(ঙ) বেগাই দৌৰিব পৰা এটা চৰাইৰ নাম

২) 'ক' অংশৰ লগত 'খ' অংশ আঁচ টানি মিলোৱা—

| 'ক' | 'খ' |
| --- | --- |
| ভেকুলী | মাংসভোজী |
| শিয়াল | সৰ্বভোজী |
| কাউৰী | তৃণভোজী |
| হৰিণা | উভচৰ |

৩) খালী ঠাই পূৰ কৰা—

(ক) জেঠী আৰু ভেকুলীয়ে.......................... খায়।

(খ) মাছে.................................. সহায়ত পানীত সাঁতুৰিব পাৰে।

(গ) .......................................... চৰায়ে বহু দূৰলৈ উৰিব পাৰে।

(ঘ) উটপখীয়ে ......................... দৌৰিব পাৰে।

৪) পাৰ্থক্য লিখা —

(ক) তৃণভোজী আৰু মাংসভোজী প্ৰাণী

(খ) বনৰীয়া আৰু ঘৰচীয়া প্ৰাণী

৫) হাঁহৰ ঠোঁটত থকা ফুটা দুটাৰ কাম কি?

৬) ভেকুলীৰ জিভাখন ক'ত লাগি থাকে?

৭) বুকুত ভৰ দি বগাই যোৱা তিনিবিধ প্ৰাণীৰ নাম লিখা।

৮) খাদ্যাভ্যাসৰ ওপৰত ভিত্তি কৰি প্ৰাণীসমূহক কেই ভাগত ভগাব পাৰি? ভাগ কেইটাৰ নাম লিখা।

৯) চৰায়ে কিয় আকাশত উৰিব পাৰে?

১০) ছবি চাই কোনটো কাৰ ঠোঁট লিখা —

